# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ ষষ্ঠ** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ কথন, লিখনত ব্যৱহাৰ হোৱা যুৰীয়া শব্দৰ ব্যৱহাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জানিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে সমাৰ্থক শব্দৰ অৰ্থ বুজি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে সম্বন্ধবাচক বিশেষ্যত পুৰুষবাচক বিভক্তিৰ প্ৰয়োগ সম্বন্ধে জানিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) মহিয়সী হেলেন কেলাৰ | - পাঠ নং ১০ |
| খ) সঞ্চয় (কবিতা) | - পাঠ নং ১১ |
| গ) মনোৰম মাজুলী | - পাঠ নং ১২ |

**পাতনি ঃ**

শিক্ষাৰ অধিকাৰ আইন - ২০০৯ অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। ২০১৭ চনত বিদ্যালয়সমূহত দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত হৈ গৈছে। এই গুণোৎসৱৰ ফলাফল পৰ্যালোচনা কৰি দেখা গৈছে যে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ অন্তৰ্ভুক্ত ব্যাৱহাৰিক ব্যাকৰণৰ দিশবোৰ বুজি নাপায়। ভাষা এটা শুদ্ধভাৱে আয়ত্তকৰণৰ বাবে ব্যাকৰণৰ জ্ঞান থকাটো অতি প্ৰয়োজনীয়। ব্যাকৰণত একোটা ভাষাৰ ধ্বনি, বৰ্ণ, বৰ্ণমালা, শব্দ ইত্যাদিৰ চৰ্চা কৰা হয়। ব্যাকৰণৰ জ্ঞান ভালদৰে থাকিলে নিজৰ মান্য ভাষাটো শুদ্ধকৈ ক'ব আৰু লিখিব পাৰি।

গুণোৎসৱৰ মূল্যায়ন পৰ্যৱেক্ষণ কৰি দেখা পোৱা গৈছে যে ষষ্ঠ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও পাঠত থকা যুৰীয়া শব্দ, সমাৰ্থক শব্দ আৰু বিভক্তিৰ ব্যৱহাৰ চিনাক্ত কৰিব পৰা নাই, ফলত এইবোৰৰ ব্যৱহাৰ শুদ্ধভাৱে কৰিব নোৱাৰে। শিকনৰ এই ধূসৰ দিশসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীক এই দিশৰ বিকাশত বিশেষভাৱে যত্ন লোৱা আৱশ্যক। এই কাৰ্যৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক যথেষ্ট অনুশীলনৰ প্ৰয়োজন হ'ব। পাঠ্যপুথিত উল্লিখিত অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে কিছুমান নিজা প্ৰচেষ্টাৰে শিকন পৰিকল্পনা হাতত ল'ব পাৰোঁ। ছাত্ৰ-ছাত্ৰীসকলে ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান শুদ্ধ ৰূপত আয়ত্ত কৰি যাতে ব্যৱহাৰ কৰিব পাৰে, তাৰ বাবে শিকন পৰিকল্পনা, ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰী প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ বাক্যত ব্যৱহাৰ হোৱা যুৰীয়া শব্দ, সমাৰ্থক শব্দৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জানিব। কিয়নো, ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীসকলক ভাষা শিকনৰ চাৰিওটা কৌশল আয়ত্ত কৰাত সহায় কৰিব।

⇨ ব্যাকৰণে বৰ্ণাশুদ্ধি দূৰীকৰণত সহায় কৰে।

⇨ ব্যাকৰণৰ জৰিয়তে ভাষা শুদ্ধকৈ শিকিব পাৰি।

⇨ সম্বন্ধবাচক বিশেষ্যত পুৰুষবাচক বিভক্তিৰ প্ৰয়োগ সম্বন্ধে জানিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ এই সমল সামগ্ৰীটোৰ জৰিয়তে ব্যাৱহাৰিক ব্যাকৰণ শ্ৰেণীকোঠাত সফলভাৱে শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয়, সেয়া আমি জানিব পাৰিম।

⇨ এই সমল-সামগ্ৰীৰ সহায়ত শিক্ষণ আৰু শিকন কাৰ্যৰ স্ব-মূল্যায়ন কৰিব পাৰিম।
⇨ নতুন নতুন চিন্তাধাৰাৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।
⇨ ছাত্ৰ-ছাত্ৰীৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰিব পাৰিম।
⇨ ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা যুৰীয়া শব্দ, সমাৰ্থক শব্দ আদি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিছেনে নাই মূল্যায়ন কৰিব পাৰিম।

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ বিকাশৰ বাবে লোৱা ব্যৱস্থাৱলী ঃ**

শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰিবলৈ ক্ষেত্ৰ অধ্যয়ন, ক্ৰিয়া-কলাপ, অনুশীলন আদিৰ ব্যৱস্থা লোৱা হৈছে।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল—**

<table>
<tr><th colspan="5">মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)</th></tr>
<tr><th>শিকনৰ ফলাফল</th><th>সামগ্ৰী</th><th>শিকন প্ৰক্ৰিয়া</th><th>প্ৰশ্নাৱলী</th><th>মূল্যায়ন</th></tr>
<tr>
<td>১)যুৰীয়া শব্দৰ অৰ্থ জানি পঢ়িব পৰা<br><br>২) যুৰীয়া শব্দ বাক্যত ব্যৱহাৰ কৰিব পৰা</td>
<td>⇨পাঠ্যপুথি<br>⇨চাৰ্ট<br>⇨ শব্দ কাৰ্ড<br>⇨ দফা কাৰ্ড<br>⇨ বোৰ্ড, চক<br>⇨ ডাষ্টাৰ<br>⇨ অভিধান</td>
<td>দলগত ক্ৰিয়া-কলাপ<br><br>যুৰীয়া ক্ৰিয়া-কলাপ<br><br>ব্যক্তিগত ক্ৰিয়া-কলাপ</td>
<td>ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক —<br>⇨ বাতৰি-কাকত, আলোচনী আদি পঢ়ি তাত থকা যুৰীয়া শব্দ চিনাক্ত কৰি এখন তালিকা প্ৰস্তুত কৰা (কমেও ২০ টা শব্দত)।<br>⇨ 'গুৰুদক্ষিণা' পাঠটো পঢ়ি কি কি যুৰীয়া শব্দ পালা লিখি শব্দবোৰৰ অৰ্থ লিখা।<br>⇨ ষষ্ঠ শ্ৰেণীৰ অংকুৰণ পাঠ্যপুথিৰ ৯৭, ৯৮ পৃষ্ঠা কেইটা পঢ়ি তাত থকা যুৰীয়া শব্দবোৰ বাছি উলিয়াই বহীত লিখা।<br>⇨ তলত দিয়া যুৰীয়া শব্দবোৰ ব্যৱহাৰ কৰি বাক্য সাজা উঠা-নমা, খোৱা-লোৱা, ধন-সোণ, খুজি-মাগি, ইনাই-বিনাই।<br>⇨ কিছুমান যুৰীয়া শব্দ বাওঁ-ফালে দিয়া হৈছে। সোঁ-ফালে শব্দবোৰৰ অৰ্থ আছে।সেইবোৰৰ অৰ্থ মিলাই লিখা।
<table>
<tr><th>যুৰীয়া শব্দ</th><th>অৰ্থ</th></tr>
<tr><td>ক) অ'ৰ-ত'ৰ<br>খ) খলা-বমা<br><br>গ) আটোম-টোকাৰি<br>ঘ) বাচন-বৰ্তন<br>ঙ)খোৱা-লোৱা<br>চ) ইনাই-বিনাই</td><td>পৰিপাটি<br>ৰন্ধা বঢ়া আৰু খোৱাৰ পাত্ৰ।<br>হিয়া ঢাকুৰি<br>চাৰিওফালৰ<br>ওখ-চাপৰ<br>আহাৰ ব্যৱহাৰ</td></tr>
</table>
⇨ তলৰ বাকচত থকা যুৰীয়া শব্দ প্ৰয়োগ কৰি খালী ঠাই পূৰ কৰা।
<table>
<tr><td>নীৰৱে-নিতালে</td><td>খুজি-মাগি</td><td>উঠা-নমা</td></tr>
<tr><td>গছ-লতা</td><td>মৰম-চেনেহেৰে</td><td>ডকা-হকা</td></tr>
</table>
ক) —— ধন গোটোৱাটো উজু নহয়।<br>খ) কাকো —— দি ধন গোটাব নালাগে।<br>গ) মোক—— পঢ়োৱা দৰদী শিক্ষয়িত্ৰীৰ ভৰি চুইছোঁ।<br>ঘ) বিশাল ব্ৰহ্মপুত্ৰ———বৈ আছে।<br>ঙ) মিছিংসকলে চাংঘৰত——কৰোঁতে বাঁহৰ জখলা ব্যৱহাৰ কৰে।</td>
<td>অ<br>বি<br>ৰ<br>ত<br>আ<br>ৰু<br>সা<br>ম<br>গ্ৰি<br>ক<br>মূ<br>ল্যা<br>য়<br>ন</td>
</tr>
</table>

**ক্ষেত্ৰ অধ্যয়ন (Case Study)**

অপৰাজিতা মহন্ত দৰং জিলাৰ এখন মধ্য ইংৰাজী বিদ্যালয়ৰ ভাষা বিষয়ৰ শিক্ষয়িত্ৰী। তেখেতে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ১০ নং আৰু ১১ নং পাঠকেইটা পঢ়ুওৱাৰ পিছত যুৰীয়া শব্দ নো কি, বুজি পাইছে নাই চাবলৈ ১ নং তালিকাত দিয়া শব্দকেইটা বোৰ্ডত লিখি দিছিল আৰু এই শব্দবোৰক কি শব্দ বোলে সুধিছিল।

| ১ নং তালিকা | | |
|---|---|---|
| বয়-বস্তু | জা-জলপান | কিতাপ-পত্ৰ |
| লুকা-ভাকু | আ-অলংকাৰ | অ'ৰ-ত'ৰ |
| উঠা-নমা | বাচন-বৰ্তন | নীৰৱে-নিতালে |
| খলা-বমা | জিৰাই-শতাঁই | গছ-লতা |

তেওঁ মন কৰিছিল যে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ ক'ব পৰা নাই আৰু বুজি পোৱা নাই। এই সমস্যা সমাধানৰ বাবে মহন্ত বাইদেৱে কেনেধৰণৰ ব্যৱস্থা লৈছিল চাওঁ আহক।

অপৰাজিতা মহন্তই বোৰ্ডত তলত দিয়াৰ দৰে কেইটামান বাক্য লিখি দিছিল।

⇨ আমি দুখীয়া লোকক **সহায়-সহযোগ** কৰিব লাগে।

⇨ ওচৰ চুবুৰীয়াৰ লগত **কাজিয়া-পেচাল** কৰিব নালাগে।

⇨ ভাল ছাত্ৰ-ছাত্ৰীয়ে নিয়মিতভাৱে **পঢ়া-শুনা** কৰে।

এইদৰে দুই-চাৰিটা বাক্যৰ জৰিয়তে শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাই দিব যে উক্ত আঁচ টনা শব্দবোৰ, যেনে — সহায়-সহযোগ, কাজিয়া-পেচাল, পঢ়া-শুনা আদি যুৰীয়া শব্দ। এনেধৰণৰ বহুতো শব্দ আমি কওঁতে, লিখোঁতে, কথা-বতৰাত ব্যৱহাৰ কৰোঁ। যুৰীয়া শব্দৰ জোৰ ভাঙি একোটি মাথোন শব্দ উচ্চাৰণ কৰিলে, কেতিয়াবা অৰ্থই প্ৰকাশ নাপায়। সেইবাবে যুৰীয়া শব্দবোৰ সকলো সময়তে জোৰা জোৰাকৈ কথিত বা লিখিত ৰূপত ব্যৱহাৰ কৰা হয়। এনেদৰে মহন্ত বাইদেৱে ছাত্ৰ-ছাত্ৰীক যুৰীয়া শব্দৰ ধাৰণা দিবলৈ চেষ্টা কৰিছিল।

ছাত্ৰ-ছাত্ৰীসকলক দুজনীয়া দলত ভাগ কৰি ১১, ১২ নংপাঠ দুটা পঢ়ি তাত থকা যুৰীয়া শব্দবোৰ বিচাৰি উলিয়াবলৈ দিছিল। মহন্ত বাইদেৱে যি কোনো এটা দলক (দুজনীয়া) বোৰ্ডৰ ওচৰলৈ মাতি যি এজনক এটা যুৰীয়া শব্দ বোৰ্ডত লিখিবলৈ দিছিল। আনজনক সেই শব্দ ব্যৱহাৰ কৰি বাক্য ৰচনা লিখিবলৈ দিছিল অৰ্থাৎ 'ক' ছাত্ৰজনে বোৰ্ডত 'বয়-বস্তু' শব্দটো লিখিলে, 'খ' ছাত্ৰজনে সেই শব্দৰে এটা বাক্য ৰচনা লিখিব। এই ক্ষেত্ৰত তেখেতে সহায় সহযোগ কৰিছিল। তেখেতে মন কৰিছিল যে দলৰ এজনে যুৰীয়া শব্দ লিখিব পাৰিলেও আনজনে বাক্যত প্ৰয়োগ কৰিব পৰা নাছিল।

এনেদৰে তেখেতে শ্ৰেণীকক্ষত প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকে জড়িত কৰাইছিল। তেখেতে মন কৰিছিল যে শতকৰা ৩০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েহে লিখিব পাৰিছে। তেখেতে নিজেই পাঠত থকা বাকী যুৰীয়া শব্দবোৰ বোৰ্ডত লিখি দিছিল আৰু ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰ নিজৰ বহীত টুকি ৰাখিছিল। অৰ্থ বুজাবৰ বাবে বাইদেৱে অভিধান ব্যৱহাৰ কৰিছিল। এইদৰে কৰাৰ পিছত তেখেতে নিৰীক্ষণ কৰিছিল যে, 'মনোৰম মাজুলী' পাঠত থকা যুৰীয়া শব্দ কোন কোন ছাত্ৰ-ছাত্ৰীয়ে বুজি পাইছে।

পুনৰ বাইদেৱে ইতিমধ্যে পঢ়াই যোৱা যি কোনো পাঠত থকা যুৰীয়া শব্দ বোৰ্ডত লিখি দি যি কোনো এজন ছাত্ৰ বা ছাত্ৰীক সেই শব্দটো ব্যৱহাৰ কৰি বাক্য গঠন কৰি ক'বলৈ দিছিল। নোৱাৰিলে তেখেতে সহায় কৰিছিল। এইদৰে, পাঠত থকা যুৰীয়া শব্দবোৰ বাক্যত কেনেদৰে প্ৰয়োগ কৰা হয়, সেই কথা প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে সুধিছিল। নোৱাৰিলে তেখেতে শুদ্ধ কৰি দিছিল। এনেদৰে বাৰে বাৰে অভ্যাস কৰোৱাৰ ফলত তেওঁ মন কৰিছিল যে প্ৰায় ভাগ ছাত্ৰ-ছাত্ৰীৰে এই বিষয়ে ধাৰণা স্পষ্ট হৈছে।

মহন্ত বাইদেৱে ৯/১০ খন মান কাৰ্ডত যুৰীয়া শব্দ ব্যৱহাৰ কৰি কিছুমান দফা ঘৰতে প্ৰস্তুত কৰি আনিছিল। শ্ৰেণীকোঠাত প্ৰতিখন বেঞ্চতে একোখনকৈ কাৰ্ড দি দলৰ মাজত আলোচনা কৰি দফাৰ পৰা যুৰীয়া শব্দ আচঁ টানি চিনাক্ত কৰিবলৈ দিছিল। চকুৰে কম দেখা পাপৰিক সন্মুখৰ বেঞ্চত বহিবলৈ দিছিল। এইদৰে অপৰাজিতা মহন্ত বাইদেৱে ১০, ১১ আৰু ১২ নং পাঠত থকা আন ব্যাৱহাৰিক ব্যাকৰণৰ বিষয়সমূহৰ ক্ষেত্ৰতো (সমাৰ্থক শব্দ, পুৰুষবাচক বিভক্তিৰ প্ৰয়োগ) পৰ্যায়ক্ৰমে যুৰীয়া শব্দৰ ক্ষেত্ৰত কৰা ধৰণে ক্ৰিয়া-কলাপৰ মাধ্যমেৰে শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াই নিছিল।

***বিঃদ্রঃ শ্ৰেণীকোঠাত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক মহন্ত বাইদেৱে বিশেষ গুৰুত্ব দিছিল।***

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ অপৰাজিতা মহন্তই ছাত্ৰ-ছাত্ৰীক ব্যাৱহাৰিক ব্যাকৰণৰ ধাৰণা দিবলৈ যাওঁতে কি পদ্ধতি অৱলম্বন কৰিছিল?

⇨ মহন্তৰ শিক্ষণ-শিকন পদ্ধতিয়ে সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পাৰিছিল নে?

⇨ দুৰ্বল আৰু বিশেষভাৱে সক্ষম শিশুৰ বাবে আপুনি কেনে ব্যৱস্থা লয়?

⇨ অনুশীলনৰ অবিহনে এইবোৰ আয়ত্ত কৰিব পাৰি নেকি?

অপৰাজিতা মহন্তই কৰা ক্ৰিয়া-কলাপৰ আলমত শ্ৰেণীকোঠাত এটা ক্ৰিয়া-কলাপ কৰি চাব পাৰি —

**ক্ৰিয়া-কলাপ - ১ ঃ**

ছাত্ৰ-ছাত্ৰীসকলক পাঠত থকা যুৰীয়া শব্দবোৰৰ বিষয়ে শুদ্ধ ধাৰণা দিবৰ বাবে তলত দিয়া শিক্ষণ-শিকন সামগ্ৰীসমূহ ল'ব পাৰি।

সামগ্ৰীসমূহ —

⇨ পাঠ্যপুথি।

⇨ 'মনোৰম মাজুলী' পাঠটোত থকা যুৰীয়া শব্দৰ চাৰ্ট।

⇨ যুৰীয়া শব্দৰ কাৰ্ড।

⇨ যুৰীয়া শব্দ গঠন হোৱা শব্দৰ কাৰ্ড। উদাহৰণ স্বৰূপে —

নীৰৱে    নিতালে    (১০ টা যুৰীয়া শব্দৰ বাবে ২০ খন কাৰ্ড)

ছাত্ৰ-ছাত্ৰীয়ে কিদৰে যুৰীয়া শব্দ চিনি, ব্যাৱহাৰিক জীৱনত সেইবোৰ প্ৰয়োগ কৰিব পাৰে, এই বিষয়ে ধাৰণা স্পষ্ট কৰিবৰ বাবে শিক্ষকে বিশেষ পৰিকল্পনা কৰিব।

প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক চাৰি-পাঁচ জনকৈ বিভিন্ন দলত ভাগ কৰি পাঠ্যপুথিৰ ১২ নং পাঠ 'মনোৰম মাজুলী' পঢ়ি তাত কি কি যুৰীয়া শব্দ আছে বাছি উলিয়াবলৈ দিব। নিৰ্দিষ্ট সময়ৰ অন্তত যি কোনো দলৰ এজনক বোৰ্ডৰ ওচৰলৈ মাতি তেওঁলোকে বাছি উলিওৱা যুৰীয়া শব্দ লিখিবলৈ দিব। এইদৰে গোটেই কেইটা দলৰ পৰাই লিখিবলৈ দিব। শিক্ষকে পুনৰ শুদ্ধ কৰি যুৰীয়া শব্দৰ চাৰ্টখন আৰি বোৰ্ডৰ লগত মিলাই চাবলৈ দিব আৰু চাৰ্টৰ পৰা নিজৰ নিজৰ বহীত টুকি ল'বলৈ দিব।

| ক - বাকচ | | | | |
|---|---|---|---|---|
| অ'ৰ | আটোম | লোৱা | বমা | ইনাই |
| নীৰৱে | খোৱা | আ | ধন | খুজি |
| খলা | অলংকাৰ | টোকাৰি | ত'ৰ | বাচন |
| সোণ | বিনাই | মাগি | নিতালে | বৰ্তন |

যুৰীয়া শব্দ গঠন কৰা যি কোনো ২০ টা শব্দৰ টোপোলা ('ক' বাকচত থকাৰ দৰে) দল অনুসৰি লিখি ল'ব। এতিয়া এই টোপোলা প্ৰত্যেক দলৰ মাজত একোটিকৈ দি নিৰ্দিষ্ট সময়ৰ ভিতৰত মিলাই যুৰীয়া শব্দ গঠন কৰিবলৈ দিব। প্ৰত্যেক দলৰ দলপতিয়ে যি কোনো ৫ টাকৈ যুৰীয়া শব্দ বোৰ্ডত লিখিব। দ্বিতীয় দলেও প্ৰথম দলে নিলিখা ৫ টা যুৰীয়া শব্দ বোৰ্ডত লিখিব। নোৱাৰিলে তৃতীয় দলে লিখিব।

এনেদৰে শ্ৰেণীকক্ষৰ সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পাৰি।

যুৰীয়া শব্দ চিনি পাইছেনে নাই, চিনি পাই বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিছেনে নাই তাৰ পৰীক্ষা কৰি চাবৰ বাবে

তলত দিয়া ক্ৰিয়া-কলাপটো কৰিব পাৰি।

যুৰীয়া শব্দ লিখা কাৰ্ড, যেনে - বয়-বস্তু, হাঁহি-কান্দোন, ৰূপ-সৌন্দৰ্য, অংগী-ভংগী, প্ৰবন্ধ-পাতি, কিতাপ-পত্ৰ, আটোম-টোকাৰি, উঠা-নমা, খলা-বমা, খোৱা-লোৱা, বাচন-বৰ্তন আদি লিখা শব্দ কাৰ্ড টেবুলৰ ওপৰত থ'ব। শ্ৰেণীকক্ষৰ যি কোনো এজন ছাত্ৰ বা ছাত্ৰীক মাতি আনি তাৰে এখন কাৰ্ড লৈ তাত থকা শব্দৰে বাক্য সাজি ক'বলৈ দিব। নোৱাৰিলে অন্য এজনক ক'বলৈ দিব। এনেদৰে শ্ৰেণীকক্ষৰ বাকী ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰিব পাৰে।

এইদৰে সকলো ছাত্ৰ-ছাত্ৰীকে শুদ্ধ উত্তৰ নোপোৱালৈকে ক'বলৈ দিব লাগে। যুৰীয়া শব্দৰ ধাৰণা স্পষ্ট হ'লে আৰু বুজি পোৱাটো নিশ্চিত হ'লে মান নিৰূপণ কৰি গৃহকৰ্ম দিব লাগে।

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুৰীয়া শব্দনো কি তাক বুজি পাব।

⇨ পাঠত পোৱা যুৰীয়া শব্দ চিনাক্তকৰণ কৰিব পাৰিব।

⇨ দৈনন্দিন জীৱনত যুৰীয়া শব্দৰ প্ৰয়োগ কৰিবলৈ শিকিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক —

⇨ বাতৰি-কাকত, আলোচনী আদি পঢ়ি তাত থকা যুৰীয়া শব্দ চিনাক্ত কৰি এখন তালিকা প্ৰস্তুত কৰা। (কমেও ২০ টা শব্দ)।

⇨ পাঠ নং ৫, 'গুৰুদক্ষিণা' পাঠটো পঢ়ি কি কি যুৰীয়া শব্দ পালা, লিখি শব্দবোৰৰ অৰ্থ লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

⇨ ষষ্ঠ শ্ৰেণীৰ অংকুৰণ পাঠ্যপুথিৰ ৯৭, ৯৮ পৃষ্ঠাকেইটা পঢ়ি তাত থকা যুৰীয়া শব্দবোৰ বাছি উলিয়াই বহীত লিখা।

⇨ তলত দিয়া যুৰীয়া শব্দবোৰ ব্যৱহাৰ কৰি বাক্য সাজা।
উঠা-নমা, খোৱা-লোৱা, ধন-সোণ, খুজি-মাগি, ইনাই-বিনাই।

⇨ কিছুমান যুৰীয়া শব্দ বাওঁ-ফালে দিয়া হৈছে। সোঁ-ফালে শব্দবোৰৰ অৰ্থ আছে। সেইবোৰৰ অৰ্থ মিলাই লিখা।

| যুৰীয়া শব্দ | অৰ্থ |
|---|---|
| ক) অ'ৰ-ত'ৰ | পৰিপাটি |
| খ) খলা-বমা | ৰন্ধা বঢ়া আৰু খোৱাৰ পাত্ৰ |
| গ) আটোম-টোকাৰি | হিয়া ঢাকুৰি |
| ঘ) বাচন-বৰ্তন | চাৰিওফালৰ |
| ঙ)খোৱা-লোৱা | ওখ-চাপৰ |
| চ) ইনাই-বিনাই | আহাৰ ব্যৱহাৰ |

⇨ তলৰ বাকচত থকা যুৰীয়া শব্দবোৰ প্ৰয়োগ কৰি তলৰ খালী ঠাই পূৰ কৰা।

| | | |
|---|---|---|
| নীৰৱে-নিতালে | খুজি-মাগি | উঠা-নমা |
| গছ-লতা | মৰম-চেনেহেৰে | ডকা-হকা |

ক) ———————— ধন গোটোৱাটো উজু নহয়।

খ) কাকো ———————— দি ধন গোটাব নালাগে।

গ) মোক——————পঢ়োৱা দৰদী শিক্ষয়িত্ৰীৰ ভৰি চুইছোঁ।

ঘ) বিশাল ব্ৰহ্মপুত্ৰ———————বৈ আছে।

ঙ) মিছিংসকলে চাংঘৰত—————— কৰোঁতে বাঁহৰ জখলা ব্যৱহাৰ কৰে।


**প্ৰসঙ্গ পুথি ঃ**

⇨ অংকুৰণ।

⇨ সামগ্ৰিক অসমীয়া শব্দকোষ — ড° ৰমেশ পাঠক।

⇨ চন্দ্ৰকান্ত অভিধান।

⇨ বাতৰি-কাকত।

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ — ড° গোলোক চন্দ্ৰ গোস্বামী।

⇨ অসমীয়া ব্যাকৰণ জ্যোতি—ভগৱান মৰল।


***